## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ দ্বিতীয়　　বিষয় ঃ ভাষা-১ (অসমীয়া)　　দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰঃ**

ক) শুদ্ধ বানান

⇨ ছাত্ৰ-ছাত্ৰীয়ে সৰু সৰু শব্দ ভাঙি লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে স্বৰ চিহ্ন থকা যুক্তাক্ষৰযুক্ত শব্দৰ বানান শুদ্ধকৈ লিখিব পাৰিব।

খ) যুক্তাক্ষৰ

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ চিনি পঢ়িব পাৰিব আৰু লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে, জুন -২০১৮) লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) পখিলা | - পাঠ নং ৪ |
| খ) বুধিয়ক বীৰবল | - পাঠ নং ৫ |
| গ) সাহসী ল'ৰাজন | - পাঠ নং ৬ |
| ঘ) ভালুকে খেলিলে ফুটবল | - পাঠ নং ৭ |
| ঙ) বোন্দাৰ বিলৈ | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। গুণোৎসৱৰ মূল্যায়নৰ তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে লিখন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাছপৰি আছে। দ্বিতীয় শ্ৰেণীৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও অসমীয়া বৰ্ণমালা দুখন চিনি নাপায়, শুদ্ধকৈ লিখিব নোৱাৰে, স্বৰমাত্ৰাযুক্ত আখৰ আৰু যুক্তাক্ষৰ জোঁটাই পঢ়িব আৰু লিখিব নোৱাৰে। লিখন হৈছে মাতৃভাষা শিক্ষাদানৰ আটাইকেইটা কৌশলৰ ভিতৰত অন্যতম প্ৰধান কৌশল। এই লিখন কৌশল আয়ত্তকৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ উক্ত দিশসমূহৰ বিকাশৰ বাবে বিশেষ যত্ন লোৱা প্ৰয়োজন। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান লিখনৰ কাৰ্য ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। মুঠতে ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ ক্ৰমত বৰ্ণ আৰু যুক্তাক্ষৰ পৰিপাটিকৈ আৰু সুন্দৰ আখৰেৰে লিখিব পাৰিব লাগিব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰণালীবদ্ধ লিখন কৌশল আয়ত্তকৰণত সহায়ক হ'ব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই গোটটো সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —**

⇨ মাতৃভাষাৰ ভেঁটি সবল কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহো শিকিবলৈ লিখন অৰ্হতাৰ প্ৰয়োজন।

⇨ বৰ্ণসমূহ সঠিক আকৃতিৰে লিখা আৰু সেই বৰ্ণ বা আখৰবোৰ লগলগাই শব্দ গঠন কৰাৰ কৌশল আৰু সেই শব্দবোৰক বাক্যত প্ৰয়োগ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব। শ্ৰুতলিপিৰ যোগেদি উচ্চাৰণ শুনি শুদ্ধকৈ শব্দ আৰু বাক্য লিখিবলৈ শিকিব।

⇨ যুক্তাক্ষৰ গঠন কৰিবলৈ আৰু ভাঙিবলৈ শিকিলেহে লিখন অৰ্হতাই পূৰ্ণতা লাভ কৰিব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

এই সমলটো অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ বাবে শিক্ষক হিচাপে আমাৰ সহায়ক হ'ব —

⇨ নতুন নতুন উদ্ভাৱনীমূলক ক্ৰিয়া আৰু অনুশীলনৰ পৰিকল্পনা।

⇨ ছাত্ৰ-ছাত্ৰীৰ অভ্যাস-অনুশীলনৰ যোগেদি লিখনৰ ধূসৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰি সেই দুৰ্বলতা দূৰ কৰাৰ সংকল্প।

⇨ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ সৈতে তুলনা কৰি শিক্ষকৰ স্ব-মূল্যায়ন আৰু নতুন নতুন চিন্তাৰে আৰু ক্ৰিয়া অনুশীলনীৰে শ্ৰেণীকোঠাসমূহ অধিক গতিশীল কৰাৰ প্ৰয়াস।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ **শুদ্ধ বানান ঃ**

নিৰ্দ্দিষ্ট শব্দসমূহ ঃ আকবৰ, কৰতল, ঢোল, পঢ়াশালি, চুটি, পুথি, পখিলা। (পাঠ নং - ৫,৬)

ফল-মূল ঃ আপেল, মধুৰীআম, আনাৰস, ঔ-টেঙা, কৰদৈ।

ফুল ঃ কপৌ, গুটিমালতী, বকুল, গোলাপ।

দৈনন্দিন দেখা বস্তু ঃ বৃক্ষ, সূতা, ভোমোৰা, গৰু, কিতাপ, মৌ-মাখি।

যুক্তাক্ষৰ ঃ ল্ল, ষ্ঠ, গু, স্তু, ন্ধ

ওপৰত উল্লেখ কৰা শব্দ আৰু যুক্তাক্ষৰসমূহৰ সন্নিৱেশ ঃ পাঠ নং ৪, ৫, ৬, ৭, আৰু ৮।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| **ক**)সৰু সৰু শব্দ (যুক্তাক্ষৰ) ভাঙি পঢ়ি লিখিবলৈ সক্ষম হ'ব। | শব্দ কাৰ্ড আৰু বৰ্ণ কাৰ্ড। | ক্ৰিয়া-কলাপ | **ক**) - যুক্তাক্ষৰ কেইটা ভাঙি দেখুওৱা - প্ৰণাম, দিল্লী, অন্ন, কীৰ্ত্তন। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| | যুক্তাক্ষৰযুক্ত কাৰ্ড। | ক্ৰিয়া-কলাপ | - বৰ্ণ বিশ্লেষণ কৰা - পখিলা, মতলীয়া, চুটি, বীৰবল, খেৰসূতী। | |
| **খ**) যুক্তাক্ষৰ থকা শব্দৰে বাক্য ৰচনা কৰিবলৈ সক্ষম হ'ব। | যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা। | পৰ্যৱেক্ষণ | **খ**) তলৰ শব্দকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা- স্নেহ, বন্ধু, দিল্লী, ভূমিকম্প, পৰ্বত। | |
| **গ**) শব্দত থকা যুক্তাক্ষৰ চিনি পাবলৈ সক্ষম হ'ব। | যুক্তাক্ষৰ থকা শব্দ তালিকা। | পৰ্যৱেক্ষণ | **গ**) তলৰ শব্দকেইটাৰ পৰা যুক্তাক্ষৰকেইটা বাছি উলিওৱা - বোন্দা, ৰাস্তা, স্কুল, দিল্লী, অন্ন। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

ৰীণা বৰা তেজপুৰৰ ওচৰৰ এখন গাৱঁৰ দ্বিতীয় শ্ৰেণীত অসমীয়া ভাষা পঢ়ুওৱা শিক্ষয়িত্ৰী। ২০১৭ চনৰ গুণোৎসৱৰ ফলাফল পৰ্যৱেক্ষণ কৰি ৰীণা বৰাই লক্ষ্য কৰিছিল যে, দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে লিখন কৌশলৰ মূল্যায়নত আশা কৰা ধৰণে ভাল ফল দেখুৱাব পৰা নাই। শ্ৰেণীকোঠাতো ছাত্ৰ-ছাত্ৰীসকলে স্বৰৰ মাত্ৰাযুক্ত বৰ্ণ, শব্দ আৰু বাক্যবোৰ লিখোঁতে প্ৰায়েই বানান ভুল কৰে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ গঠন আৰু ভাঙিব পৰা কৌশল ভালদৰে আয়ত্ত কৰিব পৰা নাই। তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশল আহৰণ আৰু আয়ত্ত কৰাত বাধাৰ সৃষ্টি হৈছে। সেয়েহে ৰীণা বৰাই এই শিকন ঘাটিসমূহ আতঁৰাবলৈ কিছু নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰি শ্ৰেণীকোঠাত প্ৰয়োগ কৰিছিল। ৰীণা বৰাই শ্ৰেণীকোঠাত কি কৰিছিল চাওঁ আহক -

প্ৰথমতে ৰীণা বৰাই ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰিব পৰাকৈ তলত দিয়া ধৰণে শিক্ষণ সামগ্ৰী তৈয়াৰ কৰি ল'লে -

**প্ৰস্তুতি ঃ**

⇨ শব্দ কাৰ্ড, বৰ্ণ কাৰ্ড (স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ), স্বৰৰ মাত্ৰা থকা কাৰ্ড।

⇨ ছবি চাৰ্ট (ফল-মূল, ফুল, দৈনন্দিন দেখা বস্তু)

⇨ যুক্তাক্ষৰ চাৰ্ট, বৰ্ণ কাৰ্ড, শব্দ কাৰ্ড, নামৰ তালিকা।

ছাত্ৰ-ছাত্ৰীয়ে লিখনৰ কৌশল আয়ত্তকৰাৰ সুবিধাৰ্থে ৰীণা বৰাই প্ৰতিদিনে কিছু ক্ৰিয়া-কলাপ কৰিবলৈ (আগতে তৈয়াৰ কৰি থোৱা) বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড আৰু শব্দ কাৰ্ডৰ সহায় লয়। এই ক্ৰিয়া-কলাপসমূহ কৰোঁতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে সমানে অংশগ্ৰহণ কৰাটো বাধ্যতামূলক কৰে। লগতে ক্ৰিয়া-কলাপসমূহ কৰাৰ পাছত মূল্যায়নৰ বাবে যুক্তাক্ষৰ কিছুমানক লৈ গৃহকৰ্ম কৰিবলৈও দিয়ে। পৰৱৰ্তী দিনত সেই গৃহকৰ্ম চাই শুধৰাই দিয়ে। পুনৰ মূল্যায়নৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক এজন এজনকৈ মাতি ব'ৰ্ডত লিখিবলৈ দিয়ে।

তাৰ উপৰি ৰীণা বৰাই নিয়মিতভাৱে আলোচনী আৰু বিজ্ঞাপনসমূহত থকা যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্য সংগ্ৰহ কৰে। লগতে পাঠ্যপুথিত থকা সৰু সৰু বাক্য লৈ ছাত্ৰ-ছাত্ৰীক প্ৰতিদিনে শ্ৰুতলিপি লিখিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ বহীসমূহ এজনে আনজনৰ শুদ্ধাশুদ্ধ চাই দিয়ে। যিবিলাকে বানান বেছি ভুল কৰে, তেওঁলোকক আকৌ কি কি বৰ্ণ লগ লাগি সেই যুক্তাক্ষৰটো গঠিত হৈছে, সেইটো ব'ৰ্ডত লিখি বুজাই পুনৰ শ্ৰুতলিপি দিয়ে। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিদিনে ক্ৰিয়া-কলাপ, অনুশীলন আৰু শ্ৰুতলিপি দিয়াৰ পাছত সিহঁতে লিখনৰ কৌশল আয়ত্ত কৰিবলৈ সক্ষম হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলে এই ধৰণৰ কামৰ পৰা আনন্দও লাভ কৰে।

*বিঃদ্ৰঃ ৰীণা বৰাই শ্ৰেণীৰ চকুৰে কম দেখা ছাত্ৰজনৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ ৰীণা বৰাই ছাত্ৰ-ছাত্ৰীক ক্ৰিয়া-কলাপ আৰু শ্ৰুতলিপিৰ দ্বাৰা লিখন কৌশল আয়ত্ত কৰোৱাৰ বাহিৰেও আন কি কৌশল আয়ত্ত কৰাব পাৰিলেহেতেঁন?

⇨ সকলো ছাত্ৰ-ছাত্ৰীয়ে যে শিকিবলৈ আগ্ৰহী সেইটো নিৰীক্ষণ কৰিব পৰা যায় নে?

⇨ ৰীণা বৰাই সামগ্ৰী তৈয়াৰ কৰোঁতে পাঠ্যপুথিৰ বাহিৰেও আলোচনী আৰু বিজ্ঞাপনৰ সহায় কিয় লৈছিল?

ওপৰত বৰ্ণনা কৰা ৰীণা বৰাৰ ক্ৰিয়া-কলাপৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি চাওঁ আহক -

**ক্ৰিয়া-কলাপ ঃ**

⇨ এই ক্ৰিয়া-কলাপ শ্ৰেণীকোঠাত অনুসৰণ কৰাৰ আগতে নিম্ন উল্লিখিত শিক্ষণ-শিকন সামগ্ৰীসমূহ প্ৰস্তুত কৰি ল'ব লাগিব।

**সমল ঃ** শব্দ কাৰ্ড, বৰ্ণ কাৰ্ড (স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ)।

ছবি চাৰ্ট (ফল-মূল, ফুল আদি দৈনন্দিন দেখা বস্তু)।

চাৰ্ট, পেপাৰ, ৰং পেঞ্চিল, স্কেল।

যুক্তাক্ষৰ চাৰ্ট, বৰ্ণ কাৰ্ড, শব্দ কাৰ্ড, নামৰ কাৰ্ড।

পাঠ্যপুথিত উল্লেখ কৰা কিছুমান শব্দ বিচাৰি লৈ সেই শব্দবিলাক (শব্দ কাৰ্ড) ছাত্ৰ-ছাত্ৰীৰে গঠিত বিভিন্ন দলৰ মাজত বিলাই দিব পাৰি। আগতীয়াকৈ তৈয়াৰ কৰি থোৱা বৰ্ণ কাৰ্ড (স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ) ৰ জৰিয়তে দলবোৰে বৰ্ণ কাৰ্ডসমূহ মিলাই শব্দ গঠন কৰিব। এই ক্ৰিয়া-কলাপটো ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে দলত, তাৰ পিচত যুৰীয়া আৰু শেষত ব্যক্তিগতভাৱে কৰিব। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলে বৰ্ণ কাৰ্ড আৰু স্বৰচিহ্ন বা স্বৰৰ মাত্ৰাৰ কাৰ্ডৰ জৰিয়তেও শব্দ গঠন কৰি লিখিব পাৰিব। আকৌ শব্দটোৰ বৰ্ণ আৰু স্বৰচিহ্নবোৰ ভাঙিব। এইদৰে বাৰে বাৰে এই ক্ৰিয়া-কলাপটো অনুশীলন কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীক মূল্যায়নৰ বাবে এজন এজনকৈ মাতি আনি বৰ্ডত লিখিবলৈ দিব পাৰিব।

লিখন কৌশল আহৰণৰ বাবে বিভিন্ন ফল-মূল, ফুল, দৈনন্দিন জীৱনত দেখা বস্তুৰ ছবি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক বিভিন্ন দলত বিভাজন কৰি দলবোৰৰ মাজত সেইবোৰ ভগাই দি তেওঁলোকে দেখা ছবিবোৰ বিষয়বস্তু অনুসৰি তালিকা প্ৰস্তুত কৰিবলৈ দিব পাৰিব। এতিয়া প্ৰতিটো বিষয়বস্তুৰ তালিকাত যদি ছাত্ৰ-ছাত্ৰীয়ে জনা নাম আৰু আছে সেইবোৰ তালিকাখনত লিখিবলৈ দিব পাৰিব। আটাইতকৈ বেছি নাম কোনটো দলে লিখিব পাৰিছে সেই কথা চাব পাৰিব। নামসমূহ লিখাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে আন এখন চাৰ্ট কাগজত ইতিমধ্যে লিখা নাম সমূহৰ ছবি আঁকিবলৈ চেষ্টা কৰিব। যিটো দলে নামবোৰ চাই চাই ছবি বেছিকৈ আঁকিছে, সেই দলটোৰ প্ৰত্যেকৰে নামসমূহ চাৰ্ট কাগজখনৰ (ছবি থকা চাৰ্ট কাগজ) তলত লিখি বেৰত আঁৰি ৰাখিব।

ছাত্ৰ-ছাত্ৰীৰ মনত যুক্তাক্ষৰসমূহৰ আকৃতিৰ সাচঁ বহুৱাবৰ বাবে দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিৰ পাঠ নং ৪,৫,৬,৭ আৰু ৮ ত থকা যুক্তাক্ষৰবোৰ থকা কাৰ্ড, যুক্তাক্ষৰ চাৰ্ট, বৰ্ণ কাৰ্ড আদি ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দলৰ মাজত ভগাই দিব। যুক্তাক্ষৰ চাৰ্টত থকা নিৰ্দ্দিষ্ট যুক্তাক্ষৰকেইটা গঠন কৰি কি কি বৰ্ণ সংযুক্ত হ'ব, সেই বৰ্ণ কাৰ্ডবোৰেৰে প্ৰথমে যুক্তাক্ষৰ গঠন কৰিব। প্ৰতিটো দলে চাৰ্টখনত থকা যুক্তাক্ষৰসমূহ ভাঙিব আৰু যোৰা লগাব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপত যুৰীয়া আৰু ব্যক্তিগতভাৱে অংশ ল'ব পৰাকৈ সুবিধা প্ৰদান কৰিব। এইদৰে যুক্তাক্ষৰ ভঙা আৰু যোৰা লগোৱা ক্ৰিয়া-কলাপটো বহুবাৰ কৰোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীক এজন এজনকৈ ব'ৰ্ডত যুক্তাক্ষৰ ভাঙিবলৈ আৰু যোৰা লগাবলৈ দিব। গৃহকৰ্ম হিচাপেও যুক্তাক্ষৰ ভাঙিবলৈ আৰু যোৰা লগাবলৈ উৎসাহিত কৰিব। কিছুমানে যদি নোৱাৰে, তেনেহলে তেওঁলোকক ব'ৰ্ডত লিখি বুজাব। ঠিক সেইদৰে দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামবোৰত যদি যুক্তাক্ষৰ আছে, সেই নাম বিলাকৰ তালিকা প্ৰস্তুত কৰি প্ৰতিদিনে অন্ততঃ দুটা বা তিনিটা নামৰ যুক্তাক্ষৰকেইটা ব'ৰ্ডত ভাঙি দেখুৱাবালৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিলে তেওঁলোকে আমোদ পাব।

***<u>বিঃ দ্ৰঃ</u>***

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষকহিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ !*

**সাৰাংশ ঃ**

ছাত্ৰ-ছাত্ৰী সকলে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ কাৰ্ডসমূহৰ সহায়ত শব্দ গঠন কৰিবলৈ সক্ষম হ'ব। দলীয়, যুৰীয়া আৰু ব্যক্তিগতভাৱে শব্দ গঠন কৰাৰ পাৰদৰ্শিতা লাভৰ বাবে ই এক উত্তম পন্থা। বাৰে বাৰে অনুশীলন কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ বোৰ্ডত কৰা মূল্যায়নে শব্দ গঠন আৰু লিখন কৌশলৰ শুদ্ধতা আৰু দ্ৰুততা বঢ়াব।

লিখন কৌশল আয়ত্ত কৰাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত অনুশীলন কৰোৱা দৰকাৰ। প্ৰথমে বৰ্ণ আৰু যুক্তাক্ষৰৰ শুদ্ধ ধাৰণা দিয়াত গুৰুত্ব আৰোপ কৰিব লাগে। ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে নানাধৰণৰ ছবি কাৰ্ড, বৰ্ণ কাৰ্ড, যুক্তাক্ষৰ কাৰ্ড আদি ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিভিন্ন ক্ৰিয়া-কলাপ কৰোৱাব লাগে। একেদৰে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পৰাই সৰু সৰু আৰু সহজ শব্দ গঠন কৰিবলৈ শিকাব লাগে। শব্দ গঠনৰ পাচত লাহে লাহে সহজ-সৰল বাক্য গঠন কৰাৰ অনুশীলন কৰাব লাগে। ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰী যুগুতাই পাঠ

আদান-প্ৰদান কৰাটো বাঞ্চনীয়। পৰ্যাপ্ত শ্ৰুতলিপি অনুশীলনৰ সুযোগ দিব লাগে।

লিখনত থকা দুৰ্বলতা দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰ ভঙা আৰু যোৰা লগোৱা অনুশীলনৰ গুৰুত্ব অতি বেছি। এই অৰ্হতা আয়ত্ত কৰাবলৈ হলে ছাত্ৰ-ছাত্ৰীক যথেষ্ট পৰিমাণে ক্ৰিয়া-কলাপত প্ৰবৃত্ত কৰাব লাগিব। কাৰণ বানান শুদ্ধকৈ লিখিবলৈ হলে যুক্তাক্ষৰ, যতি বিৰাম চিহ্নৰ সঠিক জ্ঞান থকাৰ লগতে বৰ্ণৰ আকৃতিৰ জ্ঞানো থাকিব লাগিব।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -

১) ল, চ, ন, প, ম এইকেইটা আখৰত একে-একে আখৰ যোগ কৰিলে আখৰকেইটাৰ যুক্তাক্ষৰ ৰূপ কেনে হ'ব?
যেনে ঃ ক + ক = ক্ক

২) তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি একোটাকৈ শব্দ লিখি সেই শব্দটোৰে বাক্য সাজা-
ন্ম, স্ক, স্থ, স্পৃ, ষ্ঠ্য, ঙ্ক, ণ্ড, স্ত, স্ফূ।

৩) তলত দিয়া শব্দকেইটাত থকা যুক্তাক্ষৰবোৰ বাছি উলিয়াই ভাঙি দেখুওৱা -
স্নেহ, বন্ধু, দিল্লী, ভূমিকম্প, পৰ্বত সত্যসন্ধা, বিভিন্ন, পুষ্টি, মাস্তুল।

৪) তলত দিয়া শব্দ কেইটাৰ বৰ্ণ বিশ্লেষণ কৰা
পখিলা, মতলীয়া, চুটি, বীৰবল, খেৰসূতী।

৫) প্ৰণাম, পৰ্বত, দিল্লী, অন্ন - এই শব্দকেইটাৰ পৰা যুক্তাক্ষৰকেইটা বাছি উলিওৱা।

৬) শ্ৰ, স্ক, স্প, ন্দ, দ্ধ যুক্তাক্ষৰকেইটা ভাঙা।

৭) তলৰ বৰ্ণকেইটা সংযোগ কৰি যুক্তাক্ষৰ গঠন কৰা—

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

ত+য় = ☐ ম + ৰ = ☐ চ +চ = ☐ ন +ত = ☐ ন +ধ = ☐

১) তলৰ বাক্যবোৰৰ খালীঠাইত উপযুক্ত শব্দ বহুৱাই পূৰণ কৰা।
ক) কীৰ্তন এখন................. .......পুথি।
খ) ..................য়ে ফলৰ ৰস চুহি খায়।
গ) ফুলে-ফুলে........... .........উৰি ফুৰে।
ঘ) ..........................এবিধ সুগন্ধি ফুল।
ঙ) ব'হাগ মাহত........ ........ফুল ফুলে।

২) তলত দিয়া শব্দবোৰেৰে একোটা বাক্য সাজা।

| | | |
|---|---|---|
| ক) কীৰ্তন | খ) আনাৰস | গ) পখিলা |
| ঘ) বকুল ফুল | ঙ)পঢ়াশালি | চ) ফুল |

৩) তলৰ শব্দসমূহৰ লগত বাক্যসমূহ মিলোৱা।

| | |
|---|---|
| ক) ঐৰাৱত | এবিধ টেঙা ফল। |
| খ) কপৌফুল | খাবলৈ ভাল। |
| গ) আকবৰ | এটা ডাঙৰ হাতী। |
| ঘ) কৰদৈ | ব'হাগ মাহত ফুলে। |
| ঙ) মধুৰীআম | এজন ডাঙৰ ৰজা আছিল। |

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।
⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড° গোলোক চন্দ্ৰ গোস্বামী।
⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি - শ্ৰী হলিৰাম দাস
⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।